ৰাষ্ট্ৰপতি জেনেৰেল এৰশাদে ১৯৮৮ চনৰ ৭জুনত বাংলাদেশৰ ৰাষ্ট্ৰধৰ্ম ইছলাম বুলি ঘোষণা কৰে। এই কাৰ্যৰ তছলিমাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে । বাংলাদেশত ইমান দিনে সুসমন্বয়ৰে বসবাস কৰা হিন্দু, শিখ, খ্ৰীষ্টান, বৌদ্ধ আদি ধৰ্মাৱলম্বী লোকসকলৰ আধ্যাত্মিক জীৱনলৈ সংশয় নামি আহে। ভাৰতবৰ্ষত যেতিয়া বাবৰি মছজিদ হিন্দু মৌলবাদীসকলে ধ্বংস কৰিছিল, তেতিয়া বাংলাদেশত এখনৰ পিচত এখন হিন্দুপ্ৰধান গাঁও অগ্নিৰ লেলিহান শিখাত দাহ গৈছিল। মৌলবাদীৰ গুলিৰ আঘাতত বহুলোকৰ প্ৰাণ গৈছিল। দাঙ্গাহাঙ্গামাত আঘাত প্ৰাপ্ত হৈছিল অনেক হিন্দুলোক। মৌলবাদীসকলে শ্লোগান দিছিল-'একটা দুইটা হিন্দু ধৰ, সকাল বিকাল নাস্তা কৰ'। উদ্বিগ্ন হৈ পৰিছিল তছলিমা। হাস্পাতালত আহতসকলক চিকিৎসা কৰাৰ উপৰি হিন্দু কবি-সাহিত্য কৰ্মী, নিৰ্মলেন্দু গুহ, মহাদেব সাহা, অসীম সাহা, পূৰবী দে, মিনু, গায়ত্ৰী মণ্ডল, ডলী পাল আদিৰ ঘৰে ঘৰে গৈ খা-খবৰ লৈছিল। মৈমনসিংহৰ যিকোনো বিপদগ্ৰস্তক অৱকাশত আশ্ৰয় দিবলৈ মাকক বাৰে-বাৰে ফোন যোগে অনুৰোধ কৰিছিল। এই দাঙ্গাহাঙ্গামাক লৈ তছলিমাই লিখি উলিয়ায় অভুত পূৰ্ব সাফল্য লাভ কৰা উপন্যাস 'লজ্জা'। লজ্জা অকল বাংলাদেশতে নহয় ভাৰতবৰ্ষৰ লগতে পৃথিৱীৰ প্ৰায়বোৰ দেশতে অনেক ভাষালৈ অনুদিত হয়। পিচলৈ অকল লেখাৰ আন্তৰিক তাগিদাতে তেওঁ চৰকাৰী চাকৰি ইস্তাফা দি হাতৰ কলম অস্ত্ৰৰ দৰে প্ৰয়োগ কৰিবলৈ লয়।

ফেব্ৰুৱাৰী আৰু ডিচেম্বৰ তছলিমাৰ প্ৰিয় মাহ। কাৰণ ফেব্ৰুৱাৰী হ'ল বাংলাৰ গ্ৰন্থমেলাৰ মাহ আৰু ডিচেম্বৰ দেশ স্বাধীন হোৱাৰ মাহ। ফেব্ৰুৱাৰী গ্ৰন্থমেলা, জাতীয় কবিতা উৎসৱ, কবিতা পাঠ, কবিতা আবৃত্তি, গানৰ মেলা, নাট্যোৎসৱৰ মেলা, ফেব্ৰুৱাৰী লেখক সকলৰ মাহ। সমগ্ৰ বছৰ লেখকসকলে এই মাহটোৰ বাবে অপেক্ষা কৰে অধীৰ আগ্ৰহেৰে। শিল্পী সাহিত্যিক, পাঠক, দৰ্শক, শ্ৰোতা সকলো একত্ৰিত হয় এই মেলাত। তছলিমায়ো বৈ থাকে গ্ৰন্থমেলা উৎসৱলৈ। প্ৰকাশ পায় তছলিমাৰ নতুন নতুন গ্ৰন্থ। ধৰ্ম আৰু পুৰুষতন্ত্ৰ যে নাৰী স্বাধীনতাৰ প্ৰধান অন্তৰায় এই কথাৰ অনুপুংখ বিৱৰণ তেঁওৰ লেখনিত প্ৰকাশ পায়। এই সময়তে কোৰাণৰ সংশোধন হব লাগে বুলি ভুল সাক্ষাৎকাৰ এটি তছলিমাৰ নামত প্ৰকাশ পায়। মৌলবাদীসকল তছলিমাৰ মন্তব্যত জাঙুৰ খাই উঠে। অকল গোড়া ধৰ্মবাদী সকলেই নহয়, সমগ্ৰ ৰাষ্ট্ৰব্যৱস্থা তথা পুৰুষতন্ত্ৰই তেওঁৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। তাৰ বৰ্হিপ্ৰকাশ ঘটে ফেব্ৰুৱাৰীৰ গ্ৰন্থমেলাত। এই মেলাতে অনুৰাগীসকলৰ মাজত ব্যস্ত থাকোতে তছলিমাৰ ওপৰত মৌলবাদীৰ প্ৰত্যক্ষ আক্ৰমণ চলে। কৃৰ্তপক্ষই চিৰদিনৰ বাবে প্ৰিয় গ্ৰন্থমেলাৰ দ্বাৰ বন্ধ কৰি দিয়ে তছলিমাৰ বাবে। একেদৰে নিষিদ্ধ হয় ১৬ ডিচেম্বৰৰ ঢাকাৰ শ্বহীদ মিনাৰৰ স্মৃতি তৰ্পণ অনুষ্ঠান, বন্ধ হৈ যায় সকলো চৰকাৰী-বেচৰকাৰী অনুষ্ঠান। মৌলবাদীসকলে তছলিমাৰ ফাঁচীৰ দাবীত সমগ্ৰ দেশজুৰি আন্দোলন কৰে, লক্ষ-লক্ষ লোকে ৰাস্তাত সমদল, লংমাৰ্চ, মহা-সমাৰোহ কৰে। তছলিমা পৰ্ণগ্ৰাফী লেখক, তছলিমা 'ৰ'ৰ এজেন্ট, ভাৰতীয় সংঘ পৰিবাৰৰ সদস্য, ভাৰতীয় জনতা পাৰ্টিৰ পৰা ৪২ লাখ টকা উৎকোচ লৈ 'লজ্জা' লিখিছে, সুনীল গঙ্গোপাধ্যায়ক তোষামোদ কৰি 'আনন্দ পুৰস্কাৰ' পাইছে আদি অনেক অপবাদ অপব্যাখ্যা প্ৰচাৰ কৰে।

অৱশেষত ১৯৯৩ চনত বাংলাদেশত 'লজ্জা'ক নিষিদ্ধ ঘোষণা কৰা হয় আৰু সেই বছৰতে ইছলামিক মৌলবাদী সংগঠনৰ হৈ চিলেটি মৌলবাদী হবিবুৰ ৰহমানে তছলিমাৰ বিৰুদ্ধে ফটোৱা জাৰি কৰে। পিচলৈ তছলিমাৰ মূৰৰ মূল্য ধাৰ্য কৰা হয় একলাখ টকা। ছলমান ৰুছদিৰ পাচত মৌলবাদীয়ে ফটোৱা জাৰি কৰা দ্বিতীয় গৰাকী লেখক হ'ল তছলিমা নাছৰিন প্ৰথম নাৰী লেখিকা। ইতিমধ্যে তছলিমাৰ ভিছা, পাচপোৰ্ট বাংলাদেশ চৰকাৰে বাজেয়াপ্ত কৰে। বৰ হেপাহেৰে ক্ৰয় কৰা শান্তিনগৰৰ বাসগৃহত তেওঁ বন্দী হৈ পৰে, হৈ পৰে সন্ত্ৰাবাদীৰ সহজ টাৰ্গেট। যিকোনো মুহূৰ্ততে মৌলবাদীৰ জিঘাংসাৰ বলি হ'ব পাৰে। তছলিমাৰ বিৰুদ্ধে ফটোৱা জাৰিৰ খবৰ অতি শীঘ্ৰে ইউৰোপ, আমেৰিকা মহাদেশত বিয়পি পৰে। বিশ্বৰ অনেক নাৰীবাদী সংগঠন, মানৱতাবাদী সংগঠন, সাংবাদিক, বুদ্ধিজীৱী,

পত্ৰ-পত্ৰিকা, চিত্ৰ-ফটোগ্ৰাফাৰ, ৰেডিঅ', দূৰদৰ্শন আদিয়ে বাংলাদেশ চৰকাৰৰ বাধা নিষেধ সত্বেও বিভিন্ন উপায়েৰে তছলিমা উদ্ধাৰ কাৰ্যত হেতা-ওপৰা লগায়। বি, বি, চিয়ে সাক্ষাৎকাৰ আৰু তথ্যচিত্ৰ প্ৰকাশ কৰে। নিমিষতে তছলিমা মহানায়িকাত পৰিণত হয়।

তছলিমাই ভাৱে ভাৰত আৰু বাংলাদেশৰ মাজত কোনো প্ৰতিবন্ধকতা থাকিব নালাগে, কাৰণ বাংলাদেশৰ জন্ম ভাৰতবৰ্ষৰ পৰাই। কলকতাক তেওঁৰ দ্বিতীয় মাতৃভূমি বুলি জ্ঞান কৰে। শত্ৰুৰ অজ্ঞাতে দুমাহ ঢাকা চহৰত আত্মগোপন কৰি তছলিমাই দেশান্তৰ হৈ প্ৰথম পদক্ষেপ দিয়ে চুইডেনত। তেওঁৰ বাবে কলকতা তথা ভাৰতবৰ্ষও নিৰাপদ হৈ নাথাকে। তছলিমাৰ ভাষাত-

"আমি বিশ্বাস কৰি নাৰীৰ কোনও দেশ নেই
দেশ মানে যদি নিৰাপত্তা, দেশ মানে যদি স্বাধীনতা,
তবে নাৰীৰ নিশ্চয় কোনো দেশ নেই।
পৃথিৱীৰ কোথাও নাৰী স্বাধীন নয়,
পৃথিৱীৰ কোথাও নাৰীৰ নিৰাপত্তা নেই।"

তছলিমাৰ লেখনিয়ে বিশেষ সম্প্ৰদায়ৰ ধৰ্মীয় অনুভূতিত আঘাত হনাৰ অপৰাধত তেওঁ দেশান্তৰ হ'ব লগা হয়। চুইডেন চৰকাৰে তছলিমাক ৰাজকীয় আতিথ্যৰে আদৰি লয় আৰু সন্মানীয় নাগৰিকত্ব প্ৰদান কৰে। প্ৰকৃততে ইয়াৰ পিচতে আৰম্ভ হয় তছলিমাৰ বৰ্ণময় জীৱন যাত্ৰা। ঢাকা চহৰত তছলিমাৰ নিৰাপত্তাৰ বাবে বাংলাদেশ চৰকাৰে নিয়োজিত কৰিছিল কাৰ্যত তেনেই উদাসীন দুজন সাধাৰণ পুলিচ। তাত নাছিল জীৱনৰ কোনো নিৰাপত্তা, কিন্তু চুইডেন এৰোড্ৰামত অৱতৰণ কৰাৰে পৰা অসংখ্য পুলিচ চোৰাংচোৱাৰে পৰিবেষ্টিত হৈ থাকিবলৈ ল'লে এই ৰূপহী বাংলাদেশী কন্যা। স্বদেশত যাৰ ঘৰৰ ভিতৰখনেই আছিল চৰাচৰ বিশ্বজগৎ, সেই তছলিমা ইউৰোপত পদাৰ্পণ কৰাৰ লগে লগে সমগ্ৰ পৃথিৱীৰ ৰাষ্ট্ৰপ্ৰধান, চৰকাৰী-বেচৰকাৰী, ৰাষ্ট্ৰীয়-আন্তৰাষ্ট্ৰীয় অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁক আদৰাৰ বাবে ব্যাকুল হৈ পৰে। বাংলাদেশত লাঞ্ছিতা লেখিকা তছলিমা প্ৰাশ্চ্য জগতৰ এক নম্বৰ ভি, আই, পি, হৈ পৰে। একেদিনাই চাৰি-পাঁচখন ৰাষ্ট্ৰৰ পৰা নিমন্ত্ৰণ; ফলত তছলিমাৰ গৃহযাপনৰ সলনি আৰম্ভ হয় আকাশ যাপন। সৰহ সময় এৰোপ্লেনতে অতিবাহিত কৰিব লগা হোৱা কাৰণে তেওঁ স্নায়বিক বিসংগতিতো ভোগে। এনে অভূতপূৰ্ব নিৰাপত্তা আৰু আদৰ-সাদৰত অতিষ্ঠ হৈ তেওঁ বাৰে-বাৰে অনুৰোধ কৰে এক মুক্ত জীৱনৰ, কোনো বাংলাদেশী মৌলবাদীয়ে এনে নিৰাপত্তাৰ বেহু ভেদি তেওঁক হত্যা কৰিবলৈ নাহে। কিন্তু তেওঁক সোঁৱৰাই দিয়া হৈছিল যে এই নিৰাপত্তা ব্যৱস্থাৰ অন্তৰালত আছে একোখন ৰাষ্ট্ৰৰ মান-মৰ্যদা। গাত এটি সামান্য আঁচোৰ পৰিলেই যে তেওঁলোকৰ দেশৰ মান-মৰ্য্যদা ধূলিৰ লগত বিলীন হৈ যাব !

অপৰ্যাপ্ত যশ-খ্যাতি, বিলাস-বৈভৱ আজি তছলিমাৰ হাতৰ মুঠিত; তেওঁ বিশ্ব নাগৰিক। অনেক আন্তৰ্জাতিক পুৰস্কাৰেৰে তছলিমাক উপচায় পেলোৱা হৈছে। এইবোৰৰ ভিতৰত শাখাৰভ পুৰস্কাৰ, ইউনেস্কো পুৰস্কাৰ, ফৰাচী চৰকাৰৰ মানবাধিকাৰ পুৰস্কাৰ, ফ্ৰান্সৰ এডিট দা নান্ত পুৰস্কাৰ, চুইডেনৰ কুৰ্ট টুখোলস্কি পুৰস্কাৰ, জাৰ্মানীৰ মানবতাবাদী সংস্থাৰ আৰউইন ফিচাৰ পুৰস্কাৰ, যুক্তৰাষ্ট্ৰৰ ফ্ৰি থট হিৰোইন পুৰস্কাৰ, বেলজিয়ামৰ গেন্ট ইউনিভাৰচিটি আৰু ফ্ৰান্সৰ দা আমেৰিকান ইউনিভাৰচিটি অৱ পেৰিচৰ পৰা সন্মানীয় ডক্তৰেট ডিগ্ৰী তছলিমালৈ আগবঢ়োৱা হৈছে। তেওঁৰ গ্ৰন্থ বাংলা দেশত নিষিদ্ধ, কিন্তু ইংৰাজী, ফৰাচী, ইটালীয়, স্পেনীয়, জাৰ্মান আদি ভাষাকে আদি কৰি অসংখ্য ভাষালৈ তেওঁৰ ৰচনা সমগ্ৰ অনুদিত হৈছে। মানৱতাবাদ, মানবাধিকাৰ, নাৰীস্বাধীনতা তথা নাস্তিকতাৰ বিষয়ে তেওঁ বিশ্বৰ বহু বিশ্ববিদ্যালয়ৰ উপৰিও বিভিন্ন বিখ্যাত মঞ্চত বক্তৃতা প্ৰদান কৰিছে। ইমান যশ, ইমান খ্যাতি, ইমান ভোগ, ইমান বিলাসৰ মাজত থাকিও কিন্তু তেওঁ সুখী নহয়। দীৰ্ঘদিনীয়া প্ৰবাসী জীৱনত সদায়ে স্বপ্ন দেখে, স্বদেশ বাংলাদেশৰ, বাংলাৰ মাটি-পানীৰ, বাংলাৰ মানুহ, স্বপৰিজনৰ। তেওঁৰ অন্তৰাত্মাই অহৰহ হাহাকাৰ কৰি থাকে পুনৰ আপোন দেশৰ হেৰোৱা জীৱন ঘূৰাই পাবলৈ।

'নিজ দেশে পৰবাসী,
আবাৰ পৰবাসেও পৰবাসী
দেশ তবে কোথায় আমাৰ?'

'ভাত স্পৰ্শ কৰলে ভাত নয়, হাতেৰ মুঠোয় থোকা-থোকা বাংলাদেশ উঠে আসে।'

কিন্তু পৰিহাসৰ বিষয় বাংলাদেশত এতিয়াও প্ৰযোজ্য হৈ আছে তছলিমাৰ বিৰুদ্ধে দুৰ্জেয়-দুৰ্লঙ্ঘ্য ফটোৱা আৰু আছে কোটি-কোটি টকাৰ কেচ-মামলা।

'সী-গাল, তোমাৰ দানায় কৰে নেবে আমাকে?
আমাৰ একটি বড় চেনা সমুদ্ৰ আছে ওইপাৰে
বড়চেনা একটি নদীও।
\+ + +
সী-গাল, তোমাৰ ডানায় কৰে একদিন খুব ভোৰে, চুপ কৰে, কেউ জানবে না,
নেবে আমাকে ভুমধ্যসাগৰ থেকে আমাৰ বঙ্গোপ সাগৰে একদিন?'

তছলিমাই ভাৰত চৰকাৰৰ ওচৰত স্থায়ী ভাৰতীয় নাগৰিকত্ব বিচাৰি বাৰে-বাৰে ব্যৰ্থ হয়। প্ৰতিবাৰে ছমাহৰ বাবে তেওঁৰ ভিচাৰ ম্যাদ বঢ়োৱা হয়। এই সময় ছোৱা প্ৰায়ে আত্মগোপন কৰি থাকিব লগা হয় এই প্ৰবাদ প্ৰতীমা লেখিকা গৰাকী। তছলিমাই আশা কৰে বাংলাদেশৰ প্ৰধান মন্ত্ৰী শ্বেখ হাছিনাই স্বদেশ বিতাড়িত এগৰাকী নাৰীৰ অন্তঃস্থলৰ মৰ্মবেদনা উপলব্ধি কৰিব আৰু তেওঁৰ বিৰুদ্ধে থকা বাধা-নিষেধ আঁতৰাই স্বদেশ-স্বজনৰ মাজলৈ উভতি যোৱাৰ অনুমতি প্ৰদান কৰিব।

"দেশ তুমি কেমন আছো?
কেমন আছো দেশ তুমি?
\+ + +
আমাৰ তো পৰান পোড়ে তোমাৰ জন্য
তোমাৰ পোড়ে না?
আমাৰ তো জীৱন ফুৰোয় তোমাকে ভেবে
আৰ তোমাৰ?
\+ + +
আমি ভালো নেই, তুমি ভালো থেকো প্ৰিয় দেশ।"

□□□


তথ্যপুথি ঃ

**নাছৰিন, তছলিমা -**

1. ▶ আমাৰ মেয়েবেলা
2. ▶ উতল হাওয়া
3. ▶ দ্বিখণ্ডিত
4. ▶ সেইসব অন্ধকাৰ
5. ▶ আমি ভালো নেই, তুমি ভালো থেকো প্ৰিয় দেশ
6. ▶ নিৰ্বাচিত কলাম
7. ▶ নষ্ট মেয়েৰ নষ্ট গদ্য
8. ▶ নিৰ্বাসিত নাৰীৰ কবিতা
9. ▶ জলপদ্য
10. ▶ নাৰীৰ কোনো দেশ নেই

# ভাগি গ'ল বীণখনি ছিগি গ'ল তাঁৰ ........ দিলীপ শৰ্মা

ড০ প্ৰাণেশ্বৰ নাথ
জ্যেষ্ঠ প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

কুৰি শতিকাৰ মাজভাগৰ অসমীয়া সংগীতৰ নৱন্যাস কালৰ বিশিষ্ট সংগীতজ্ঞসকলৰ ভিতৰত দিলীপ শৰ্মা অন্যতম। জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভাৰ পৰা হেমাংগ বিশ্বাস হৈ ড০ ভূপেন হাজৰিকালৈকে আধুনিক অসমীয়া সংগীতৰ কেইবাটাও গুৰুত্বপূৰ্ণ ঐতিহাসিক পৰ্বৰ কেইবাগৰাকীও কাণ্ডাৰীৰ সৈতে সংযোগ আৰু সাহচৰ্যৰে তেওঁৰ সংগীত জীৱন সমৃদ্ধ।

মুখত প্ৰাণখোলা হাঁহি, কণ্ঠত জীৱন জ্বলোৱা গান, হৃদয়ত গণতন্ত্ৰ মানৱতাৰ বাণী লৈ মানুহৰ হৃদয়ে-হৃদয়ে পোহৰ বিলাই ফুৰা গণশিল্পী দিলীপ শৰ্মাৰ জন্ম হৈছিল ১৯২৬ চনৰ ২৫ জানুৱাৰীত, বৰ্ত্তমানৰ বৰপেটা জিলাৰ পাঠশালাৰ বামুণকুছি নামৰ এখন অখ্যাত গাঁৱত। অসমীয়া সাহিত্যৰ যুগ সৃষ্টিকাৰী আলোচনী 'আৱাহন'ৰ স্বত্বাধিকাৰী তথা সম্পাদক ড০ দীননাথ শৰ্মাৰ ঔৰসত আৰু ৰেণু দেৱীৰ গৰ্ভত দিলীপ শৰ্মাৰ জন্ম হয়। ডা০ দীননাথ শৰ্মাই ১৯২৯ চনত কলিকতাৰপৰা আৱাহন আলোচনীখন উলিয়াইছিল আৰু সেই সূত্ৰে পৰিয়ালটো কলিকতাত বাস কৰিবলৈ লৈছিল। শৰ্মা পৰিয়ালৰ কলিকতাৰ ঘৰখন আছিল সেই সময়ৰ কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰ আৰু লেখকৰ অবাৰিত দ্বাৰ, ফলত অতি সৰুকালৰেপৰা শৰ্মাই অসমৰ সাহিত্য-সংস্কৃতিৰ জগতৰ কেইবাগৰাকীও বৰেণ্য ব্যক্তিৰ সংস্পৰ্শ লাভ কৰিছিল আৰু পৰৱৰ্ত্তী কালত তেওঁলোকৰ বহুতৰে নিকট সান্নিধ্যলৈ আহিছিল। এনে ব্যক্তিৰ সঘন পদাৰ্পণেৰে মুখৰিত এখন ঘৰৰ এক মুক্ত আৰু প্ৰাণচঞ্চল সাংস্কৃতিক পৰিমণ্ডলত শৰ্মাই তেওঁৰ শৈশৱ, কৈশোৰ আৰু যৌৱনৰো ভালেমান দিন পাৰ কৰিছিল।

ঘৰুৱা শিক্ষকৰ তত্বাৱধানত সাত বছৰ বয়সৰে পৰাই দিলীপ শৰ্মাই সংগীতৰ শিক্ষা আৰম্ভ কৰে। কলেজত পঢ়া সময়লৈকে তেওঁ ভাৰতীয় মাৰ্গ সংগীতৰ লগতে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, কমল নাৰায়ণ চৌধুৰী আৰু পুৰুষোত্তম দাসৰ উৎসাহ আৰু সাহচৰ্যত অসমীয়া গীত-মাত শিকাৰো সুযোগ লাভ কৰিছিল। ১৯৪২ চনৰ পৰা কলিকতাৰ আকাশবাণী কেন্দ্ৰই আধাঘন্টীয়া অসমীয়া ভাষাৰ অনুষ্ঠান পৰিৱেশন কৰিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাই ভজনৰ আৰ্হিত লিখি শিকাই দিয়া এটি গীত গাই শৰ্মাই এই অনুষ্ঠানত অসমীয়া গীত পৰিৱেশন কৰাৰ যোগ্যতা অৰ্জন কৰিছিল।

১৯৪২ চনতে এইচ এম ভি কোম্পানীয়ে দিলীপ শৰ্মাৰ গীতৰ প্ৰথমখন গ্ৰামোফোন ৰেকৰ্ড উলিয়ায়, গীত দুটি আছিল পুৰুষোত্তম দাসৰ 'ক'ৰে হেৰ' তই বাটৰুৱা সন্ধিয়া বুলিলি বাট, আৰু মহেশ চন্দ্ৰ দেৱগোস্বামীৰ 'সপোন সুৰভি দেশতে'। তেওঁৰ দ্বিতীয়খন গ্ৰামোফোন ৰেকৰ্ড ওলায় ১৯৪৪ চনত। ইয়াত আছিল বিষ্ণু প্ৰসাদ ৰাভাৰ 'মোৰ কবিতাৰ ছন্দ লাগি' আৰু মহেশ চন্দ্ৰ দেৱগোস্বামীৰ 'তুমিতো নাজানা হায়' শীৰ্ষক গীত দুটি। ১৯৪৬ আৰু ১৯৪৭ চনত ওলোৱা তেওঁৰ গীতৰ আন দুখন ৰেকৰ্ডৰ এখনত আছিল স্বৰচিত ৰোমাণ্টিক গীত 'প্ৰিয়া আজি দিয়া বিদায়' আনখনত আছিল পুৰুষোত্তম দাসৰ "স্বাধীন অসমৰ স্বাধীন অকণিৰ দল" আৰু 'স্বাধীন ভাৰতৰ বুকুত ৰচিম জীৱনৰ জয়গান'। এই আটাইকেইটি গীতেই সেই সময়ত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

দিলীপ শৰ্মাৰ সাংগীতিক প্ৰতিভাক জ্যোতিপ্ৰসাদ আগৰৱালাদেৱেও আদৰ কৰিছিল। ইয়াৰ প্ৰমাণ পোৱা যায় 'জয়মতী'ৰ দ্বিতীয় সংস্কৰণৰ সময়ত। ১৯৪৯ চনত জ্যোতিপ্ৰসাদে 'জয়মতী'ৰ দ্বিতীয় সংস্কৰণৰ সংগীতাংশ নতুনকৈ ৰেকৰ্ড কৰাৰ সিদ্ধান্ত কৰি দিলীপ শৰ্মাক সহকাৰী

সংগীত পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰে। এই ছবিৰ 'লুইতৰ পানী যাবি ঐ বৈ' আৰু 'মোৰে ভাৰতৰে মোৰে সপোনৰে' গীত দুটি তেওঁ ভগ্নী আৰতি শৰ্মাৰ সৈতে ৰেকৰ্ড কৰে।

১৯৫৪ চনত ড০ ভূপেন হাজৰিকাৰ ভগ্নী, যশস্বী কণ্ঠ শিল্পী কুইন হাজৰিকাৰ (সুদক্ষিণা শৰ্মা) সৈতে দিলীপ শৰ্মা বিবাহপাশত আবদ্ধ হয়। তেওঁৰ সৈতে বাণীবদ্ধ কৰা গীতসমূহে ষাঠিৰ দশকত অসমীয়া সংগীতৰ জগতলৈ এক নতুন ঢৌ আনে। বিশেষকৈ, গীতসমূহৰ ৰোমান্টিকতাই শ্ৰোতাৰ হৃদয়ত অনুপম ঝংকাৰ সৃষ্টি কৰিবলৈ সক্ষম হয়।

১৯৫০ চনত দিলীপ শৰ্মা অসমলৈ আহে আৰু ৰাজ্যখনৰ বহুকেইজন শিল্পী সাহিত্যিকৰ নিকট সম্পৰ্কলৈ অহাৰ সুযোগ লাভ কৰে। এইসকল শিল্পী সাহিত্যিকৰ ভিতৰত আছিল হেমাংগ বিশ্বাস, চৈয়দ আব্দুল মালিক, ভূপেন হাজৰিকা, মঘাই ওজা, কেশৱ মহন্ত, প্ৰবুদ্ধ ৰায়চৌধুৰী, হেম শৰ্মা আদি। এই আটাইকেইগৰাকী ভাৰতীয় গণনাট্য সংঘৰ সদস্য আছিল।

গণনাট্য আন্দোলনৰ সৈতে জড়িত হোৱাটোকে দিলীপ শৰ্মাৰ সংগীত জীৱনৰ এক নতুন পৰ্বৰ আৰম্ভণি বুলি ক'ব পাৰি। এই সময়ৰ পৰাই তেওঁৰ সংগীত চৰ্চাই এক পৰিব্যাপ্ত সামাজিক ৰূপ গ্ৰহণ কৰে, লোক-কলা আৰু লোক -সংগীতৰ নানান উপাদানে তেওঁৰ সুৰ, ৰচনা আৰু পৰিবেশনাক নতুন মাত্ৰা প্ৰদান কৰে। জ্যোতি সংগীতৰ প্ৰণালীবদ্ধ চৰ্চা আৰু প্ৰসাৰত তেওঁৰ অৱদান প্ৰাতঃ স্মৰণীয়। এইক্ষেত্ৰত তেওঁ এক দিক-নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ নকৰা হ'লে অসমত জ্যোতি সংগীতৰ ধাৰাবাহিক চৰ্চাৰ যতিয়েই পৰিলেহেঁতেন বুলি ক'লে নিশ্চয় অত্যুক্তি কৰা নহ'ব। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে জ্যোতি সংগীতৰ সুৰৰ চানেকি ৰচাৰ বাবে গঠন কৰা বিশেষজ্ঞ সমিতিৰ তেওঁ অন্যতম সদস্য। এই সমিতিয়ে সুৰ জেউতি নামেৰে জ্যোতি সংগীতৰ সুৰ চানেকীৰে দুটা খণ্ড ইতিমধ্যে প্ৰকাশ কৰি উলিয়াইছে।

যোৱা ২০০০ ইং চনত অসম সাহিত্য সভাৰ ইংলেণ্ড শাখাৰ আমন্ত্ৰণত শ্ৰীমন্ত শঙ্কৰদেৱৰ জয়ন্তীত পত্নী সুদক্ষিণা শৰ্মাৰ সৈতে তেওঁ গীত পৰিৱেশন কৰিছিল। যোৱা তিনিটা দশকত দিলীপ শৰ্মাই ঘাইকৈ 'জ্যোতিসংগীত' আৰু 'ৰবীন্দ্ৰ সংগীত'ৰ চৰ্চাত মনোনিবেশ কৰিছে। 'জ্যোতিসংগীত'ৰ প্ৰণালীবদ্ধ চৰ্চা আৰু প্ৰচাৰত তেওঁ বিশেষ মনোযোগ দিছে। জ্যোতি সংগীত চৰ্চাৰ বাবে ২০০২ চনত তেওঁ পত্নী সুদক্ষিণা শৰ্মাৰ সৈতে সংগীত-নাটক অকাডেমী বঁটা লাভ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ বাংলাভাষী সমাজখনত ৰবীন্দ্ৰ সংগীতৰ শিল্পী ৰূপে তেওঁৰ এখন বিশিষ্ট আসন আছে। ৰবীন্দ্ৰ সংগীতক অসমীয়া শ্ৰোতাৰ ওচৰলৈ লৈ যোৱাৰ ক্ষেত্ৰতো তেওঁৰ ভূমিকা অনস্বীকাৰ্য। দিলীপ শৰ্মাৰ জীৱনৰ এটা দীঘলীয়া অধ্যায় সাংবাদিকতাৰ লগত সাঙোৰ খাই আছে। পৰিয়াল সূত্ৰে তেঁও ল'ৰালি কালৰ পৰাই 'আৱাহন' প্ৰকাশৰ লগত জড়িত।

গণশিল্পী দিলীপ শৰ্মাৰ কণ্ঠশিল্পীৰ উপৰি আন এটা পৰিচয়ো আছে। কণ্ঠ শিল্পী ৰূপে শৰ্মাক যিমান মানুহে জানে, দ্বিতীয়টো পৰিচয় সম্পৰ্কে অৱশ্যে সিমান মানুহে নাজানে। অসমত বিজ্ঞান আন্দোলনৰ প্ৰসাৰ ঘটোৱাত তেখেত আছিল এজন অক্লান্ত সৈনিক। অসমত বিজ্ঞান মানসিকতা গঢ়ি তোলাৰ জৰিয়তে অন্ধবিশ্বাস, কু-সংস্কাৰ সমাজৰ পৰা দুৰ কৰিবলৈ অহৰ্নিশে তেখেতে চেষ্টা চলাইছিল। বিজ্ঞান আন্দোলন প্ৰসাৰৰ লক্ষ্যৰে লিখা আৰু শৰ্মাই কণ্ঠদান কৰা গীতটি হৈছে- "আহা সমাজ ভাঙো, আহা সমাজ গঢ়ো, ভঙা গঢ়াৰ মেলা পাতোঁ, নতুন দিনৰ সুঁহুৰি বজাই। আওপুৰণি প্ৰথা আমি নামানো, জাতি পাতৰ কথা আমি নুশুনো। যাত্ৰা যে আমাৰ দুৰ্বাৰ, এন্ধাৰ নাশি আগুৱাই।"

শিল্পী শৰ্মা আছিল ৰূপান্তৰৰ শিল্পী, মানুহৰ এক সৰ্বমংগলময় আশা আৰু স্বপ্নেৰে তেওঁ উদ্বুদ্ধ। অসমীয়া সংগীতৰ ক্ৰমবিলীয়নমান এক লোকায়ত ঐতিহ্যৰ তেওঁ আছিল ধ্বজাবাহক আৰু সংৰক্ষক। সামাজিক অন্যায় অবিচাৰ, অসাম্যৰ বিৰুদ্ধে তেওঁ এটি প্ৰতিবাদী কণ্ঠ হিচাপে থিয় হৈ মানুহৰ সুন্দৰ ভৱিষ্যতৰ আশা আৰু স্বপ্নৰ গীতেৰে শ্ৰোতা জনতাক অনুপ্ৰাণিত কৰি আহিছিল। জনতাৰ শিল্পী এই গৰাকী মহান শিল্পীৰ দুৰাৰোগ্যত ভুগী ২০০৮ চনৰ ৭ অক্টোবৰৰ দিনা জীৱন নাটৰ অৱসান ঘটে।□□□

# ১৯৪২ খৃঃ ৰ ভাৰত ত্যাগ আন্দোলন আৰু অসম

লক্ষীকান্ত শৰ্মা
উপাধ্যক্ষ

মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা দেশৰ স্বাধীনতা আন্দোলনৰ অন্যতম অধ্যায় এটা আছিল ১৯৪২ খৃঃ ৰ "ভাৰত ত্যাগ" আন্দোলন। এই আন্দোলনক ৪২ৰ গণ আন্দোলন বুলিও কোৱা হয়। এই আন্দোলনৰ পটভূমি আছিল ১৯৩৯খৃঃ ত আৰম্ভ হোৱা দ্বিতীয় মহাযুদ্ধ। ভাৰতীয় জনগণৰ সন্মতি নোলোৱাকৈয়ে ভাৰতকো সাম্ৰাজ্যবাদী যুদ্ধত লিপ্ত কৰাৰ কাৰণে প্ৰতিবাদ কৰি বিভিন্ন প্ৰদেশৰ কংগ্ৰেছী মন্ত্ৰীসভাবোৰে পদত্যাগ, কৰিছিল আৰু গান্ধীয়েও ৰণ বিৰোধী ধ্বনি দি ব্যক্তিগতভাৱে সত্যাগ্ৰহ কৰাৰ কাৰণে ভাৰতবাসীক আহ্বান জনাইছিল। কংগ্ৰেছে অৱশ্যে প্ৰথমে যুদ্ধ বিৰোধী নীতি গ্ৰহণ কৰা নাছিল আৰু ব্ৰিটেইনক ধংস কৰি ভাৰতৰ স্বাধীনতা লাভ কৰাৰ কোনো অভিপ্ৰায় নাই বুলিহে ঘোষণা কৰিছিল। কিন্তু দ্বিতীয় মহাসমৰৰ আৰম্ভণিতে জাপানে মিত্ৰপক্ষৰ বিৰুদ্ধে যুদ্ধঘোষণা কৰি দ্ৰুত সাফল্য লাভ কৰে। ১৯৪২ খৃঃৰ মে' মাহত জাপানে ব্ৰহ্মদেশ অধিকাৰ কৰি কলিকতা আক্ৰমণ কৰিবলৈ উদ্যত হয়। জাপানৰ এনে সাফল্যত ইংৰাজ চৰকাৰ শংকিত হৈ পৰে। এনে পৰিস্থিতিত ভাৰতীয় সকলক সন্তুষ্ট কৰাটো বৃটিছ চৰকাৰৰ কাৰণে অপৰিহাৰ্য্য হৈ পৰে। সেয়ে ভাৰতীয় নেতাসকলৰ লগত আলোচনা কৰাৰ অৰ্থে ব্ৰিটেইনৰ অন্যতম মন্ত্ৰী ছাৰ ষ্টাফৰ্ড ক্ৰিপছক ভাৰতলৈ পঠোৱা হয়। ক্ৰিপছে আহি ভাৰতীয় নেতা সকলৰ লগত আলাপ আলোচনা চলাই যদিও তেওঁ আগবঢ়োৱা প্ৰস্তাব ভাৰতীয় নেতাসকলে প্ৰত্যাখ্যান কৰিলে। গান্ধীজীয়েও ক্ৰিপছৰ প্ৰস্তাৱক "A post dated cheque on a Bank that was obviously failing" বুলি অভিহিত কৰিলে। উদ্দেশ্য বিফল হোৱাত ক্ৰিপছ ইংলেণ্ডলৈ উভতি গ'ল।

ক্ৰিপছৰ ভ্ৰমণৰ বিফলতাই ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপটত এক গুৰুতৰ প্ৰভাৱ পেলালে। ইফালে দক্ষিণ পূব এছিয়াত জাপানৰ দ্ৰুত বিজয় লাভে গান্ধীজী প্ৰমুখ্যে কংগ্ৰেছ নেতৃবৃন্দক সচকিত কৰি তুলিলে। গান্ধীজীৰ মতে ব্ৰিটিছ শাসনৰ বাবেহে জাপানে ভাৰত আক্ৰমণ কৰিবলৈ উদ্যত হৈছে। যদি ব্ৰিটিছে ভাৰত ত্যাগ কৰি গুছি যায় তেন্তে জাপানে ভাৰত আক্ৰমণ কৰাৰ সম্ভাৱনা লোপ পাব। সেয়ে ব্ৰিটিছক ভাৰত ত্যাগ কৰাবলৈ গান্ধীজীয়ে এক ব্যাপক গণ আন্দোলন গঢ়ি তোলাৰ কাৰণে মনস্থ কৰিলে। এই আন্দোলনেই হল ১৯৪২ খৃঃৰ" ভাৰত ত্যাগ" আন্দোলন তথা ৪২ৰ গণ বিপ্লৱ।

গান্ধীজীৰ পৰামৰ্শমতে ১৯৪২ খৃঃৰ ১৪ জুলাই তাৰিখে ৱাৰ্দ্ধাত কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে বিখ্যাত "ভাৰত ত্যাগ প্ৰস্তাৱ" গ্ৰহণ কৰিলে। এই প্ৰস্তাৱত ব্ৰিটিছক ভাৰত ত্যাগ কৰিবলৈ কোৱা হয়। এই প্ৰস্তাৱৰ প্ৰতি সহাৰি দিবৰ কাৰণে বৃটিছ চৰকাৰক ২৪দিনৰ সময় সীমা বান্ধি দিয়া হয়। এই প্ৰস্তাৱৰ প্ৰতি সহাৰি নিদিলে কংগ্ৰেছে ব্যাপক আন্দোলনৰ পাতনি মেলিব বুলি চৰকাৰক জনাই দিয়া হয়। কিন্তু চৰকাৰে এই প্ৰস্তাৱৰ প্ৰতি কোনো সহাৰি প্ৰদৰ্শন নকৰিলে। সেই বছৰৰে আগষ্ট মাহৰ ৮ তাৰিখে মৌলানা আবুল কালাম আজাদৰ সভাপতিত্বত বহা কংগ্ৰেছৰ বোম্বাই অধিবেশনত কংগ্ৰেছ ৱৰ্কিং কমিটিৰ ১৪জুলাই প্ৰস্তাৱত অনুমোদন জনোৱা হয় আৰু ভাৰত ত্যাগ প্ৰস্তাৱ স্পষ্ট ৰূপত গৃহীত হ'ল। গান্ধীজীয়ে এই প্ৰস্তাৱৰ যুক্তি-যুক্ততা দাঙি ধৰাৰ লগতে "কৰিম নহয় মৰিম" এই মন্ত্ৰেৰে দীক্ষিত হৈ অহিংস পন্থাৰে সমগ্ৰ দেশ জুৰি এক ব্যাপক আন্দোলনত জপিয়াই পৰিবৰ কাৰণে দেশবাসীক আহ্বান জনালে।

কিন্তু এই প্ৰস্তাৱ গৃহীত কৰাৰ পিছদিনাই অৰ্থাৎ ৯আগষ্ট

তাৰিখে সাম্রাজ্যবাদী ব্রিটিছ চৰকাৰে গান্ধীজী, মৌলানা আজাদ, জাৱহৰলাল নেহৰু, চৰ্দাৰ পেটেল, গোবিন্দ বল্লভ পন্ট, বাবু ৰাজেন্দ্র প্রসাদ প্রমুখ্যে দেশৰ ভালেমান নেতাক গ্রেপ্তাৰ কৰিলে। নিখিল ভাৰত কংগ্রেছ কমিটি আৰু বিভিন্ন প্রাদেশিক কমিটি বোৰ বে-আইনী বুলি ঘোষণা কৰিলে। নেতা সকলক আটক কৰিলে আন্দোলন বন্ধ হৈ পৰিব বুলি চৰকাৰে ভাবিছিল যদিও কাৰ্যত সি হৈ নুঠিল। চৰকাৰৰ দমন মূলক ব্যৱস্থাৰ প্রতিবাদ কৰি ৯আগষ্ট তাৰিখে দেশব্যাপী হৰতাল পালন কৰা হ'ল। নেতাসকলৰ মুক্তিৰ দাবী কৰি বিভিন্ন ঠাইত শোভাযাত্রা, বিক্ষোভ প্রদর্শন আদি কৰা হ'ল। চৰকাৰে কঠোৰ হাতেৰে দমন কৰিব বিচাৰিলে যদিও অতি কম সময়ৰ ভিতৰতে দেশৰ চুকে-কোণে এই আন্দোলন বিয়পি পৰিল। দেশৰ অগণন জনতাই এই আন্দোলনত জপিয়াই পৰি ইয়াক এক গণ আন্দোলনলৈ ৰূপান্তৰিত কৰিলে।

গান্ধীজীয়ে অহিংসভাৱে আন্দোলন কৰাৰ কাৰণে আহ্বান জনাইছিল যদিও নেতা সকলক আটক কৰি ৰখাৰ কাৰণে আন্দোলনটোৰ গুৰিয়াল নোহোৱা হৈ পৰিছিল। ফলত ৰাইজে নিজে নিজেই আন্দোলন আগবঢ়াই নিয়াৰ কাৰণে বিভিন্ন ঠাইত হিংসাত্মক ঘটনা সংঘটিত হৈছিল। আন্দোলন কাৰীসকলে কিছুমান চৰকাৰী অফিচ, স্কুল, পুলিচ থানা, ডাকঘৰ, ৰেলষ্টেচন আদি পুৰি ভষ্মীভূত কৰিলে আৰু টেলিগ্রাফৰ লাইন কটা, দলংভঙা আদি কাৰ্য্য সংঘটিত কৰিলে। আন্দোলন দমন কৰিবৰ কাৰণে গুলীচালনা, বেত্রাঘাত, জেইল-জৰিমনা কৰাৰ উপৰিও সম্পত্তি বাজেয়াপ্ত কৰণকে ধৰি সকলো পন্থাই চৰকাৰে অৱলম্বন কৰিলে। কিন্তু চৰকাৰৰ সকলো দমনমূলক ব্যৱস্থা নেওচি সংগ্রামী জনতাই এক প্রকৃত গণ আন্দোলন গঢ়ি তোলে। অৱশ্যে চৰকাৰৰ কঠোৰ দমন নীতিৰ সমুখত এই আন্দোলন কৃতকাৰ্য হ'ব নোৱাৰিলে।

বিয়াল্লিছৰ গণ আন্দোলন ব্যাপক কৰি তোলাত অসমৰ জনগণেও উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। ভাৰত বৰ্ষৰ অন্যান্য ঠাইৰ দৰে অসমতো আন্দোলন মষিমুৰ কৰাৰ কাৰণে কংগ্রেছৰ ভালেমান নেতাক আটক কৰা হৈছিল। ভাৰত ত্যাগ প্রস্তাৱ গ্রহণ কৰা বোম্বাই কংগ্রেছৰ অধিবেশনৰ পৰা উভতি অহাৰ পথতে গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শৰ্মাক গ্রেপ্তাৰ কৰা হৈছিল। তদুপৰি বিষ্ণুৰাম মেধি, ফখৰুদ্দিন আলী আহমেদ, দেৱেশ্বৰ শৰ্মা আদি ভালেমান নেতাক পুলিচে গ্রেপ্তাৰ কৰিছিল। তথাপি আন্দোলনকাৰী সকলে ডাঙৰ-ডাঙৰ শোভাযাত্রা উলিয়াইছিল আৰু চৰকাৰী কাৰ্য্যালয় আদিত জাতীয় পতাকা উত্তোলন কৰিবৰ কাৰণে চেষ্টা কৰিছিল। চৰকাৰী কাৰ্য্যালয় কিছুমানত পতাকা উত্তোলন কৰিবলৈ যাওঁতে অসমৰ ভালেমান আন্দোলন কাৰী পুলিচৰ গুলীত নিহত হৈছিল। গহপুৰত পতাকা উত্তোলন কৰিবলৈ যাওঁতে ১৮ বছৰীয়া যুৱতী কনকলতাই পুলিচৰ গুলীত প্রাণ দিছিল। সেইদৰে বৰহমপুৰত ভোগেশ্বৰী ফুকননীৰ মৃত্যু হৈছিল। সৰুপথাৰৰ ৰেল দুৰ্ঘটনাৰ লগত জড়িত বুলি সন্দেহ কৰি কুশল কোঁৱৰক ফাঁচী দিয়া হৈছিল। গোৱালপাৰা জিলাৰ ফকিৰা গাওঁৰ নিধানু ৰাজবংশীক পাইকাৰী জৰিমনা আদায় দিব নোৱাৰাৰ কাৰণে গুলিয়াই হত্যা কৰা হৈছিল। ইয়াৰ বাহিৰেও এই আন্দোলনত যোগদান কৰি আন ভালেমান লোক শ্বহীদ হৈছিল।

অসমত সেইকালত বৃটিছে জাপানৰ বিৰুদ্ধে যুদ্ধ চলাবলৈ সৈন্য সামন্তকে ধৰি অন্যান্য আহিলা পাতি সংগ্রহ কৰাত ব্যস্ত হৈ আছিল। আন্দোলকাৰী সকলে চৰকাৰৰ এই যুদ্ধ প্রচেষ্টাত প্রতিবন্ধকতাৰ সৃষ্টি কৰিছিল। আন্দোলন কাৰী সকলে টেলিগ্রাফৰ সংযোগ কাটি পেলোৱাৰ উপৰিও বহুতো ঠাইত ৰেল লাইন উঠাই দিছিল। গুৱাহাটী, নগাঁও, সৰভোগ, বৰপেটা আদি ঠাইত আন্দোলনকাৰী সকলে সামৰিক ঘাটিবোৰত অগ্নিসংযোগ কৰাৰ লগতে লুটপাতো কৰিছিল।

ভাৰত ত্যাগ আন্দোলন ব্যাপক কৰি তোলাত অসমৰ ছাত্র সকলৰ ভূমিকাও কম নাছিল। তদুপৰি আত্মগোপনকাৰী এচাম নেতায়ো উল্লেখযোগ্য ভূমিকা গ্রহণ কৰিছিল। এইসকল নেতাৰ ভিতৰত উল্লেখযোগ্য আছিল মহেন্দ্র নাথ হাজৰিকা, লক্ষ্মীপ্রসাদ গোস্বামী, জ্যোতিপ্রসাদ আগৰৱালা, গগণ চন্দ্র গোস্বামী, শঙ্কৰ চন্দ্র বৰুৱা আদি। তেওঁলোকে জয়প্রকাশ নাৰায়ণ, সুচেতা কৃপালনী, অৰুণা আশ্রফ আদি লোক সকলৰ

লগত যোগাযোগ ৰক্ষা কৰিছিল।

সমগ্ৰ অসমৰ লগতে সেই সময়ত অতিকৈ পিচ পৰা বকো অঞ্চলতো ভাৰত ত্যাগ আন্দোলন পূৰ্ণ গতিত চলিছিল। আন্দোলনৰ অন্যতম কাৰ্যসূচী হিচাপে বৃটিছক ধনে-ধানে সহায় নকৰা, বৃটিছক ভাৰত ত্যাগ কৰিবলৈ বাধ্য কৰাৰ কাৰণে "কৰিম অথবা মৰিম" মন্ত্ৰেৰে আগবাঢ়ি যোৱা আদিয়েই আছিল আন্দোলনকাৰী সকলৰ মুখ্য ধ্বনি। এই উদ্দেশ্যে তেতিয়া বকোত এটা ডাঙৰ শোভাযাত্ৰা উলিওৱা হৈছিল। ৪২' ৰ আন্দোলনত আগভাগ লোৱা এই অঞ্চলৰ উল্লেখযোগ্য ব্যক্তি কেইগৰাকী মান আছিল ক্ৰমে- পূৰ্ণ চন্দ্ৰ দাস (বকো), খগপতি শৰ্মা (বকো), ৰামহৰি পাঠক (ছমৰীয়া), গোপাল ঠাকুৰীয়া (বনগাঁও) যোগেন্দ্ৰ নাথ চৌধুৰী (বকো), জীৱন চন্দ্ৰ বৈদ্য (বেকেলী), কমলা কান্ত ৰাভা (বনগাঁও), চণ্ডীচৰণ দাস (বকো), বৈকুণ্ঠ শৰ্মা (বনগাঁও), ভুবন চন্দ্ৰ দাস (বকো মৌমান আশ্ৰম), অমৃত চন্দ্ৰ মহাজন (বনগাঁও), পীতাম্বৰ দাস (বেকেলী), খটিয়া ৰাম দাস (বেকেলী), কান্দুৰা ৰাভা (বেকেলী), ভুন্দু ৰাভা (বনগাঁও), শঙ্কৰ দাস (বনগাঁও), কালী চৰণ দাস (বনগাঁও), মাধৱ দাস (যোগীপাৰা), নবীন চন্দ্ৰ শৰ্মা (ভালুকঘাটা), অহিত গাঁওবুঢ়া, টোকন ৰাভা (নদীয়াপাৰা), নবীন চন্দ্ৰ কলিতা (বকো, ছমৰীয়া), গৰে মাৰাক, মথুৰা নাথ লহকৰ (বকো, বন্দাপাৰা), নন্দ ৰাভা, বনমালী কৰ্মকাৰ (বনগাঁও), হৰি ৰাম কলিতা (বনগাঁও), কাতিৰাম ৰাভা (বকো), চন্দ্ৰ ৰাভা (বনগাঁও), খৰ্গে ৰাভা (বনগাঁও), জনাৰ্দন শৰ্মা (বকো), ৰবীন্দ্ৰ নাথ দাস (বকো)।

এই আন্দোলনত যোগদান কৰা আৰু বৰ্ত্তমান আমাৰ মাজত জীৱন্ত ইতিহাস হৈ থকা ব্যক্তি কেইগৰা কী হ'ল শ্ৰীযুত কাতিৰাম ৰাভা (কেন্দুগুৰী, বকো), শ্ৰীযুত ৰুজা ৰাভা (বনগাঁও) আৰু শ্ৰীযুত বলো বড়ো আদি। ৪২' ৰ আন্দোলনত বকোৰ মুখ্য নেতা দুগৰাকী আছিল পূৰ্ণ চন্দ্ৰ দাস আৰু নবীন চন্দ্ৰ কলিতা।

১৯৪২ খৃঃৰ ভাৰত ত্যাগ আন্দোলন অহিংস ভাৱেই আৰম্ভ হৈছিল যদিও ঠায়ে ঠায়ে হিংসাত্মক কাৰ্য্যও সংঘটিত হৈছিল। বকো অঞ্চলতো দুই এটা হিংসাত্মক কাৰ্য্য সংঘটিত হৈছিল। বামুণীগাঁৰৰ শান্তিপুৰত থকা ফৰেষ্ট বিট অফিচটো পুৰি পেলোৱা হৈছিল। এই অভিযোগত কাহিবামাৰ কালীৰাম দাস আৰু কাতিৰাম বড়োক গ্ৰেপ্তাৰ কৰা হৈছিল। পাঠশালাকোঠৰ অহিত গাঁওবুঢ়াও গ্ৰেপ্তাৰ হৈছিল। টেলিগ্ৰাফৰ লাইন কাটি পেলেৱাৰ কাৰণে বকো ৰাইজৰ পৰা পাইকাৰী জৰিমনা আদায় কৰা হৈছিল। স্বাধীনতাৰ পাছত কংগ্ৰেছ চৰকাৰে এই জৰিমনাৰ ধনখিনি অৱশ্যে ঘূৰাই দিছিল।

এই খিনিতে ৪২' ৰ আন্দোলনত ভাগ লোৱা আন এগৰাকী নেতাৰ কথা ক'ব পাৰি। তেওঁৰ নাম হ'ল মথুৰা নাথ লহকৰ। তেওঁ নগাঁও ফালৰ লোক আছিল। তাৰপৰা আহি তেওঁ বন্দাপাৰাত থাকিবলৈ লৈছিল। দেশ প্ৰেমেৰে উদ্বুদ্ধ মথুৰা নাথ লহকৰৰ বিশেষ কৃতিত্ব আছিল এয়ে যে, ১৯৪২ খৃঃত তেওঁ বন্দাপাৰাত নিজাববীয়াকৈ এখন জেল স্থাপন কৰিছিল। এই জেলৰ জেইলাৰ আছিল পীতাম্বৰ দাস আৰু ৰক্ষক আছিল নন্দ ৰাভা। আন্দোলন বিৰোধী তথা বৃটিছৰ লগত সহযোগ কৰা লোক সকলক ধৰি নি সেই জেলত সুমুৱাই ৰখা হৈছিল। এনেদৰে নিয়া লোক সকলৰ বিচাৰো মথুৰা নাথ লহকৰেই কৰিছিল। চৰকাৰে মথুৰা নাথ লহকৰ, পীতাম্বৰ দাস আৰু নন্দ ৰাভাক হাত কেৰেয়া লগাই জেললৈ নিছিল।

মুঠতে অসমতো ভাৰত ত্যাগ আন্দোলনে তীব্ৰগতি লাভ কৰিছিল। কিন্তু চৰকাৰৰ কঠোৰ দমন নীতিৰ সমুখত এই আন্দোলন সফল নহ'ল। তথাপি ১৯৪২ খৃঃৰ ভাৰত ত্যাগ আন্দোলনে ভাৰতক স্বাধীনতা লাভৰ পথ ত্বৰান্বিত কৰি তুলিছিল। ❑❑❑

**বিঃ দ্ৰঃ**- প্ৰবন্ধটিত উল্লেখ কৰা বকো অঞ্চলৰ কথাখিনিৰ তথ্যৰ যোগান ধৰা ব্যক্তিসকল আছিল-

- প্ৰবীন মুক্তিযোদ্ধা নবীন চন্দ্ৰ কলিতা
- প্ৰবীন মুক্তিযোদ্ধা জনাৰ্দন শৰ্মা
- প্ৰবীন মুক্তিযোদ্ধা ৰবীন্দ্ৰ নাথ দাস
- প্ৰবীন মুক্তিযোদ্ধা শ্ৰীযুত কাতিৰাম ৰাভা।

# ৰাভালোক সমাজত বাঁহ

গৌতম ৰাভা
গ্ৰন্থাগাৰিক

অসমখন সাংস্কৃতিকভাৱে চালে চকুৰোৱা এক চিত্ৰ-বিচিত্ৰ পখিলাৰ দৰে। এই বৈশিষ্ট্য অসমক দান কৰিছে ইয়াত বসবাস কৰা বিভিন্ন জনগোষ্ঠীয়ে। এওঁলোকৰ পৰম্পৰাগত সাংস্কৃতিক বৈচিত্ৰৰ লগত অইন কাৰো তুলনা কৰিব নোৱাৰি। ইয়াত সকলো জনগোষ্ঠীয়ে শান্তি-সম্প্ৰতিৰে বসবাস কৰি আহিছে। ৰাভা সকলো এই জনগোষ্ঠী সমূহৰ অন্যতম। অসমৰ অইন জনগোষ্ঠীৰ যেনে ধৰণে স্বকীয় জনবিশ্বাস, নীতি-নিয়ম আৰু জীৱন ধাৰণ পদ্ধতি আছে, ৰাভা সকলৰো আছে। এওঁলোকৰ জীৱন ধাৰণ পদ্ধতিত গছ-গছনি, বাঁহ-বেত, বন-বননি আৰু চৰাই-চিৰিকটি অপৰিহাৰ্য্য। কৃষিয়েই এওঁলোকৰ জীৱন ধাৰণৰ প্ৰধান অৱলম্বন। কৃষিৰ বাহিৰেও দৈনন্দিন জীৱন যাপনত প্ৰকৃতিৰ অইন উপাদানৰ প্ৰভাৱো অনস্বীকাৰ্য্য। সহজ সৰল ৰাভা সকলৰ জীৱনত প্ৰকৃতিৰ অন্যতম সম্পদ বাঁহ কেনে ধৰণে, কিমান গভীৰ আৰু ব্যাপকভাৱে সাঙোৰ খাই আছে তাকে এই নিৱন্ধত ক'বলৈ প্ৰয়াস কৰা হৈছে।

বাঁহ ৰাভা সকলৰ অতি প্ৰয়োজনীয় উপাদান। ইয়াৰ ব্যতিৰেকে জীৱনৰ বহুলাংশ কাম সম্পাদন কৰিব নোৱাৰাৰ বাবে ৰাভা সকলে নিজ-নিজ বাৰীত বাঁহ ৰোপণ কৰে। নিত্য ব্যৱহাৰ্য্য বিষয়ত এওঁলোকে সজাগ হৈ যিবিলাক বাঁহ ৰোপণ কৰে সেই সমূহৰ ভিতৰত জাতি বাঁহ, বিজুলী বাঁহ, ভলুকা বাঁহ, জাউ বা জোৱা বাঁহ আৰু নলবাঁহ প্ৰধান। এওঁলোকৰ কিছুলোকৰ বাৰীত কট বা কটহ বাঁহো পোৱা যায়। বাৰীৰ পশ্চিম দিশত ৰাভা সকলে বাঁহ ৰোপণ কৰে। ব'হাগ-জেঠ মাহত পশ্চিমৰ পৰা প্ৰৱল বেগত অহা বতাহ ধুমুহাই যাতে গিৰিঘৰৰ গৃহ আৰু অইন সা-সম্পত্তিৰ বিস্তৰ ক্ষয়-ক্ষতি কৰিব নোৱাৰে সেইবাবেই পশ্চিম দিশত বাঁহ ৰোপন কৰে। জাতি বাঁহ ৰাভা সকলৰ জীৱনত বহুলভাৱে ব্যৱহৃত হয়। গৃহস্থক লগা বিভিন্ন আহিলা সাজিবলৈ জাতি বাঁহ নহ'লেই নহয়। পৰিয়ালক প্ৰতিদিনে ব্যৱহাৰত লগা ডলা, কুলা, চালনি, ডুকুলা, পাচি, খৰাহী, খাদা আদি তৈয়াৰ কৰিবলৈ জাতি বাঁহ অতি উত্তম বাঁহ। মাছ ধৰা সজুলি বা আহিলা- পলৱা (পল), জাখা (জাকৈ), খলে

> **ৰাভা লোক সমাজত নিজস্ব লোক নৃত্য আৰু গীত মাতৰ প্ৰচলন আছে। লোক নৃত্য আৰু গীত-মাত পৰিবেশন কৰিবলৈ বাঁহী, গবেনা (গগণা), থৰকা আদি সামগ্ৰী নহলেই নহয়। লোক নৃত্যৰ এই সামগ্ৰী সমূহ ৰাভা সকলে বাঁহৰ পৰাই তৈয়াৰ কৰি লয়। লোক নৃত্য আৰু গীত-মাতত বাঁহৰ বাদ্যৰ ব্যৱহাৰ মন কৰিব লগীয়া -**
>
> **সৰস্বতী মোহিনী গীতৰ চাহিনী**
> **কায়ো বজায় ঢাকঢোল, কায়ো বজায় বাঁহী**
> **কায়ো বজায় গবেণা থৰকা............।**

(খালৈ), ছেপা, চৰহা, চেংমৰা, খোখা, গৰ্কা আদি ৰাভা সকলে জাতি বাঁহৰ পৰাই তৈয়াৰ কৰি লয়। নৈ বা জান-জুৰিত বানা বহুৱাই মাছ ধৰিবলৈ সকলো ধৰণৰ বাঁহৰে দৰ্কাৰ হয়। নৈ বা জান-জুৰিত ভেটা বহুৱাই মাছ ধৰিবলৈ যিখন বানা ব্যৱহাৰ হয় সেইখনি ধৰি ৰাখিবলৈ ভলুকা বাঁহ খুটি স্বৰূপে ব্যৱহাৰ কৰে। জুলকি (জুলুকি) আৰু জঙৰ আদি সাজিবলৈকো জাতি বাঁহ অতি উপযোগী। ইয়াৰ বাদেও পৰঙিজাল, জাগাৰ জালৰ টনি কৰিবলৈও জাতি বাঁহৰ প্ৰয়োজন হয়। মাছ ধৰাৰ অন্যতম যতন চাক জালৰ কাৰণে চাৰিওটা খুটিৰ বাবে পূৰঠ বিজুলী বাঁহ, জালখন ঘূৰণীয়াকৈ ধৰি ৰখা বাওটো জাতি বাঁহৰ পৰা তৈয়াৰ কৰি লয়। পলৱা (পল) মাছ ধৰা যতন বিধৰ কাঠি বিলাক সাধাৰণতে ৰাভাসকলে জাউ বা জোৱা বাঁহৰ পৰা আহৰণ কৰে। জাউ বাঁহৰ পৰা কাঠি উলিয়াই জুইত সেকি লগামতে ভাজ দি জাতি বাঁহৰ দৈ আৰু বেতেৰে মজবুটকৈ পলৱা সাজি লয়।

কৃষি কৰ্মৰ বিভিন্ন সজুলিও ৰাভাসকলে বাঁহৰ পৰাই তৈয়াৰ কৰি ল'য়। কৃষি কৰ্মত লগা ডিলাৰ বাবে যি পূৰঠ বাঁহ দৰ্কাৰ হয় তাক ৰাভা সকলে জাতি বাঁহেৰে পূৰ্ণ কৰে। নাঙলৰ যুঁৱলিৰ কাৰণে বাছনি কৰে ভলুকা বাঁহ। হালৰ মৈখনৰ বাবদ যি বাঁহ লাগে সেয়াও ভলুকা বাঁহৰ, আনকি হাল বাওতে গৰুহাল খেদিবলৈ লগা লৰুও (এছাৰি) তৈয়াৰ কৰে ভলুকা বাঁহৰ পৰাই। হালৰ ডাকোৰা আৰু ওখোনাও তৈয়াৰ কৰে ভলুকা বাঁহৰ। কোদালৰ (কোৰ) নাল সাধাৰণতে পূৰঠ বিজুলী বাঁহ বা সৰু ফুটীয়া জাতি বাঁহৰ পৰাও আহৰণ কৰে। কৃষি কাৰ্য্যত অপৰিহাৰ্য্য জাপিও ৰাভা সকলৰ আদৰৰ সামগ্ৰী। ৰাভা লোক সমাজত এই সামগ্ৰীবিধো বাঁহৰ পৰাই তৈয়াৰ কৰি লয়। পৰিয়ালৰ বা সামাজিক উদ্দেশ্যত ব্যৱহাৰ কৰিবলৈ লগা সৰু-বৰ ঢাৰিও আটক ধুনীয়াকৈ ৰাভা সকলে বাঁহৰ পৰা সাজি লয়।

ৰাভা লোক সমাজত নিজস্ব লোক নৃত্য আৰু গীত মাতৰ প্ৰচলন আছে। লোক নৃত্য আৰু গীত-মাত পৰিবেশন কৰিবলৈ বাঁহী, গবেনা (গগণা), থৰকা আদি সামগ্ৰী নহলেই নহয়। লোক নৃত্যৰ এই সামগ্ৰী সমূহ ৰাভা সকলে বাঁহৰ পৰাই তৈয়াৰ কৰি লয়। লোক নৃত্য আৰু গীত-মাতত বাঁহৰ বাদ্যৰ ব্যৱহাৰ মন কৰিব লগীয়া ঃ-

সৰস্বতী মোহিনী গীতৰ চাহিনী
কায়ো বজায় ঢাকঢোল, কায়ো বজায় বাঁহী
কায়ো বজায় গবেণা থৰকা............।

কামৰূপ গ্ৰাম্য জিলাৰ বৃহত্তৰ বকো অঞ্চলত ব'হাগ বিহুৰ সময়ত ৰাভা সকলে পাৰ বাঁহ নৃত্য আৰু হানাঘোঁৰা নৃত্য প্ৰদৰ্শন কৰে। পাৰ বাঁহ নৃত্যত ব্যৱহাৰ কৰা বাঁহডালত ৰঙা-বগা কাপোৰ মেৰিয়াই বিচিত্ৰ ৰূপ দিয়ে আৰু ইয়াত ৰাভা সকলে দেৱত্ব আৰোপ কৰে। বকোৰ বেলপাৰা গাৱঁৰ ৰাভাসকল এই পাৰবাঁহ নৃত্যত অতি পাৰদৰ্শী। ৰাভা সকলৰ হানা ৰাভা সকলে হানাঘোঁৰা নৃত্যৰ বাবদ বাঁহ আৰু কাঠ দুয়োবিধ সামগ্ৰীকে ব্যৱহাৰ কৰে। নৃত্যৰ বাবে প্ৰস্তুত কৰা ঘোঁৰাৰ মূল অংশ বাঁহৰ। সন্মুখ আৰু পিচ অংশ কাঠৰ। নৃত্য কৰিবলৈ সুবিধাকৈ ঘোঁৰাৰ মূল অংশ বাঁহৰ খাছাৰে তৈয়াৰ কৰি গোটেই খাছাটো প্ৰয়োজনবোধে আবৰি থকাকৈ কলা আৰু বগা কাপোৰ মেৰিয়াই দিয়া হয়। নৃত্য প্ৰদৰ্শন কৰা শিল্পীজনে ঘোঁৰাৰ সাজটো পৰিধান কৰি মাদল, ডুগুৰী, বাঁহী, শিঙা, ঘাণ্টি আৰু বিশেষ ধৰণে ৰচিত গীতৰ তালে-তালে লয়লাস ভঙ্গীমাৰে নৃত্য কৰে। নৃত্য কৰা শিল্পী গৰাকীৰ নৃত্য যাদুৰ পৰশত দৰ্শকে পুলক আৰু আনন্দৰ শিহৰণ অনুভৱ কৰে। বকোৰ পশ্চিমে জৰেপাৰা গাৱঁৰ স্বৰ্গীয় পুণিৰাম ৰাভাৰ -

"লাঙামাৰ আগতে
'মাহী ঐ ফাটাই খালুং বেল
হৈ হৈ হৈ হৈ ঐ
হানাঘোঁৰা নাচিছে
মাহী ঐ ডিমা খুজিছে"- গীতৰ ছন্দে-ছন্দে নৃত্য কৰা হানাঘোঁৰা নৃত্য যি সকল লোকৰ চোৱাৰ সৌভাগ্য হৈছে তেওঁলোকৰ চকুত আজিও সেই লয়লাস নৃত্য ভঙ্গীমাৰ ছবি ভাহি উঠে। জৰেপাৰা গাঁৱত বৰ্ত্তমানে এই আপৰুগীয়া নৃত্য নাই যদিও দাখিলিপাৰা গাঁৱৰ ৰাভা শিল্পী দলে আজিও এই নৃত্য জীয়াই ৰাখিছে।

গৃহ নিৰ্মাণ বিষয়ত যি সকল ৰাভালোক বিত্তশালী নহয়, তেওঁলোকে বাঁহেৰেই গৃহ নিৰ্মাণ কৰি লয়। গৃহ নিৰ্মাণত সাধাৰণতে সকলো শ্ৰেণীৰ বাঁহেই ব্যৱহাৰ কৰে।

ৰাভা লোক সমাজত কৃষি কাৰ্য্যত বাঁহৰ ব্যৱহাৰ অনস্বীকাৰ্য্য। কৃষি কৰ্মৰ প্ৰথম গছা দিয়াৰ দিনটো ৰাভাসকলৰ বাবে এক লেখৰ দিন। সেইদিনা পুৱাৰ ভাগতে গোবৰেৰে ঘৰ চোতাল মচি লয়। গৃহৰ মূল ব্যক্তিগৰাকীয়ে গা ধুই তিতা কাপোৰেৰে বিজুলী বাঁহৰ চিপ এটিত নটি ভালা গছৰ পাত আৰু হৰিশংখৰ পাত তিনিখলপীয়াকৈ বান্ধি পথাৰলৈ লৈ যায় আৰু সেই চিপ খেতিৰ গছা দিয়া মাটি ডৰাত স্থাপন কৰি লক্ষ্মী আইক ধিয়াই গছা দি খেতিৰ শুভাৰম্ভ কৰে। কাতি বিহুৰ দিনাও বিজুলী বাঁহত ভালাপাত বান্ধি পথাৰত দি পথাৰ ফুৰাৰ প্ৰথা ৰাভা লোক সমাজত আজিও আছে।

ৰাভাপৰিয়ালৰ বাৰীৰ চাৰিওদিশ সাধাৰণতে আটিয়া আৰু বাঁহৰ বেৰেৰে আবৃত। আপাতদৃষ্টিত এইটো এটা তেনেই সাধাৰণ আৰু বিশেষত্বহীন যেন লাগিলেও ইয়াত এটি তাৎপৰ্য্য নিহিত আছে। নিজৰ বাৰীৰ সীমাৰ পৰিধি ভাঙি যাতে চুবুৰীয়াৰ লগত খৰিয়াল বা বিবাদত লিপ্ত হ'ব লগা নহয় আৰু তাৰ পৰা শান্তি-সম্প্ৰীতিৰ প্ৰশ্ন আহি নপৰে এই মননশীল তাৎপৰ্য্য তাত জড়িত হৈ আছে। ইয়াত পৰিয়ালটোৰ পৰিশ্ৰম আৰু মেহনতি চালিকা শক্তিৰো উমান পাব পাৰি।

ৰাভা লোক সমাজৰ খাদ্য তালিকাতো বাঁহে স্থান লাভ কৰিছে। প্ৰকৃতি প্ৰদত্ত সামগ্ৰীৰ ভিতৰত বাঁহ গাজ এওঁলোকৰ প্ৰিয় খাদ্য। ভলুকা বাঁহগাজৰ এওঁলোকে জিম টেঙা প্ৰস্তুত কৰে। গ্ৰীষ্মৰ বতৰত জিম টেঙা কেকোঁৰাৰ আঞ্জা ৰাভা সকলে প্ৰিয় আৰু উপাদেয় খাদ্য ৰূপত গ্ৰহণ কৰে।

ৰাভা সকলৰ সামাজিক সকাম-নিকাম আদিত মদ অবিচ্ছেদ্য সম্ভাৰ। সময়ৰ প্ৰভাৱত বৰ্ত্তমানত কিছু সংস্কাৰ হলেও এই নিয়ম একেবাৰে বিলুপ্ত হৈ যোৱা নাই। ৰাভা লোক সকলৰ মৃতকৰ আদ্য শ্ৰাদ্ধত আজিও মদৰ প্ৰচলন আছে। এনে অনুষ্ঠানৰ বাবদ জোঙা মদৰ আৱশ্যক। জোঙা মদ প্ৰস্তুত কৰিবলৈ লগা 'জাতি' ৰাভাসকলে বাঁহৰ পৰাই নিমজ আৰু সুন্দৰকৈ সাজি লয়। শিপিনী সকলৰ শালৰ সঁজুলিখিনিৰ কাৰণেও বাঁহৰ ওপৰত নিৰ্ভৰ নকৰি উপায় নাই। কাপোৰ বাতি কাঢ়োতে, সূতাৰ মাজত দিবলৈ ছিয়াৰী (ছিৰি), শৰ্শলা, গুৰিবাৰী আৰু ব-তোলা চুঙাৰ প্ৰয়োজন পূৰাবলৈ বাঁহৰ সহায় ৰাভা শিপিনীক নহলেই নহয়। উঘা, চেৰেকী আজি নিৰ্মাণত বাঁহৰ কথা নকলোৱেবা !

আত্মা বিদেহী হ'লে মৃতকৰ শৎকাৰ কৰা কাৰ্য্য ৰাভা সমাজত প্ৰচলিত আছে। কোনো পৰিয়ালত কোনো লোকৰ মৃত্যু হ'লে পৰিয়াল আৰু গওঁালোকে মৃতকক চাঙীত তুলি শ্মশানলৈ লৈ যায়। চাঙীখন একেডাল বাঁহেৰে তৈয়াৰ হ'ব লাগে। গতিকে চাঙীৰ বাঁহ বাছনি কৰোতে ৰাভাসকলে সাৱধানতা অৱলম্বন কৰে। মৃতকক শৎকাৰ কাৰ্যত চিতাত ৰাভা সকলে কাঠৰ লগতে বাঁহো ব্যৱহাৰ কৰে। মৃতকৰ আদ্যশ্ৰাদ্ধত পিণ্ড উটাবলৈ যাওঁতেও চাৰিডাল বিজুলী বাঁহৰ চিপ লৈ যায় আৰু নৈৰ বা বিলৰ পানী যুৱলীত বেদি নিৰ্মাণ কৰি তাৰ চাৰিও কোণত বিজুলী বাঁহৰ চিপ চাৰিটা স্থাপন কৰে আৰু খুটি কেইটিত চন্দ্ৰ তাপ তৰি বেদিত পানী পূৰ্ণ ঘট স্থাপন কৰে। সৰ্বশেষত পিণ্ড উটাবলৈ যোৱা লোকসকলে নৈত গা ধুই বেদিত সেৱা যাচি মৃতকৰ গৃহলৈ উভতি আহে। জীয়াই থকা সময়ত যি বাঁহৰ পৰা নানান কাম আৰু কাঠি কামি কৰে সেই বাঁহ মৰণ কালতো ৰাভা সকলৰ লগতে যায়। □□□

# কেইজনমান মহান অৰ্থবিজ্ঞানী

প্ৰহ্লাদ ভৰালী
জ্যেষ্ঠ প্ৰৱক্তা, অৰ্থনীতি বিজ্ঞান বিভাগ

আমি অধ্যয়ন কৰা সকলোবোৰ কলা (Arts), বিজ্ঞান (Science) আৰু বাণিজ্য (Commerce)ৰ বিষয় শাস্ত্ৰ মূল সমাজ শাস্ত্ৰৰ একো একোটা ভাগ। সময়ৰ পৰিবৰ্ত্তনৰ লগত সমাজ শাস্ত্ৰৰ ভাগসমূহৰ প্ৰকৃতি আৰু পৰিসৰৰ পৰিবৰ্ত্তন ঘটে। এই পৰিবৰ্ত্তন আনে সমাজত সময়ে সময়ে জন্মগ্ৰহণ কৰা বিশিষ্ট দাৰ্শনিক চিন্তা ধাৰাৰে পৰিপুষ্ট মহান ব্যক্তিসকলে। এই শিতানত তেনে কেইজনমান মহান দাৰ্শনিক তথা অৰ্থনীতি বিদৰ বিষয়ে আলোচনা কৰা হ'ল।

(ক) প্লেটো (Plato) ঃ প্লেটোৰ জীৱন কাল আছিল খৃষ্টপূৰ্ব ৪২৭ ৰ পৰা ৩৪৭ লৈ। সেই সময়ত এথেন্স সমগ্ৰ বিশ্বৰ ভিতৰতে জাকত জিলিকা আছিল। একাধিক দাৰ্শনিক পণ্ডিত, গণতন্ত্ৰ আৰু ব্যক্তি স্বতন্ত্ৰতা ধাৰণাৰ জন্মস্থান এই নগৰ ৰাষ্ট্ৰ এথেন্সৰে বাসিন্দা আছিল প্লেটো। অৱশ্যে প্লেটোৰ জীৱন কালত এথেন্সৰ গণতন্ত্ৰ ধাৰণাৰ অৱসান ঘটিছিল আৰু ইয়াৰ ঠাই লৈছিল বণিকবাদে (Commercialism)। গণতন্ত্ৰৰ এই অৱসানত প্লেটো সন্তুষ্ট নাছিল। সেয়েহে তেওঁ দাৰ্শনিক সকলৰ জৰিয়তে এক বৌদ্ধিক বিপ্লৱৰ সূচনা বিচাৰিছিল। The Republic ত প্লেটোৱে বিশেষীকৰণৰ প্ৰতি বিশেষ আগ্ৰহ প্ৰকাশ কৰিছিল। তেওঁৰ মতে, মানুহ স্বাৱলম্বী নোহোৱা বাবে আৰু বহু অভাৱৰ সন্মুখীন হোৱা বাবেই ৰাষ্ট্ৰৰ জন্ম হয় আৰু চহৰৰ জন্ম হয় শ্ৰম বিভাজনৰ বাবে। মানৱজাতিৰ প্ৰকৃতিগত পাৰ্থক্যৰ বাবেই শ্ৰম বিভাজনৰ সৃষ্টি হয়। প্লেটোৰ মতে, নগৰ ৰাষ্ট্ৰই হ'ল আদৰ্শ ৰাষ্ট্ৰ য'ত ৫,০৪০ জন নাগৰিক থাকে। তেওঁৰ আদৰ্শ ৰাষ্ট্ৰত থাকে তত্বাৱধায়ক (Guardian) আৰু সহায়ক (Auxiliaries) দুটা শ্ৰেণী। তত্বাৱধায়ক সকল সমাজৰ উচ্চতম শ্ৰেণী আৰু সহায়ক শ্ৰেণী আছিল নিকৃষ্টতম শ্ৰেণী। আনহাতে সমাজৰ ব্যৱসায় বাণিজ্য আৰু অৰ্থনৈতিক কাৰ্যসমূহ মুদ্ৰাৰ যোগেদি সম্পাদন কৰা হৈছিল। মুদ্ৰাই সেইবাবে বিনিময়ৰ বাহন আৰু মূল্যৰ মাপকাঠি হিচাপে কাম কৰিছিল।

(খ) এৰিষ্ট'টল (Aristotle) ঃ এৰিষ্ট'টল আছিল এহাতে প্লেটোৰ শিষ্য আনহাতে মহান আলেকজেণ্ডাৰৰ শিক্ষক। 'Politics' আৰু 'Ethics' গ্ৰন্থ দুখনত এৰিষ্ট'টলৰ অৰ্থনৈতিক চিন্তাধাৰাৰ আভাস পোৱা যায়। অৰ্থবিজ্ঞানৰ অৰ্থ পোন প্ৰথমে দিবলৈ গৈ তেওঁ উল্লেখ কৰে 'ECONOMICUS' শব্দই পৰিয়াল পৰিচালনা আৰু CHREMATISTICS শব্দই সম্পদ বৃদ্ধিকৰা আৰু ব্যয় কৰা সূচায়। এৰিষ্ট'টলে পোনপ্ৰথমে 'মূল্য' শব্দটো ব্যৱহাৰ কৰি ব্যৱহাৰিক মূল্য আৰু বিনিময় মূল্যৰ পাৰ্থক্য দেখুওৱায়। তেওঁ সম্পত্তিৰ অধিকাৰৰ সপক্ষে মাত মাতিছিল আৰু মতপোষণ কৰিছিল যে ব্যক্তিগত সম্পত্তিৰ অধিকাৰে ব্যক্তিৰ কৰ্মপ্ৰেৰণা বৃদ্ধি কৰে, সামাজিক শান্তি প্ৰতিষ্ঠাত অৰিহণা যোগায় আৰু ব্যক্তিৰ চৰিত্ৰ গঠনত সহায় কৰে।

(গ) আদাম স্মিথ (Adam Smith খ্ৰী ১৭২৩-১৭৯০)ঃ অৰ্থবিজ্ঞানৰ পিতৃ হিচাপে পৰিচিত এই গৰাকী মহান অৰ্থনীতিবিদৰ জন্ম হয় স্কটলেণ্ডৰ কিৰকাব্ৰাড়ীত। গ্লাছগ' আৰু অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ পৰা তেওঁ শিক্ষা আহৰণ কৰে। ১৭৪৯ ৰ পৰা ১৭৫০ চনলৈ তেওঁ এডিনবাৰ্গ বিশ্ববিদ্যালয়ত ইংৰাজী আৰু ৰাজনৈতিক অৰ্থনীতিৰ বিনামূলীয়া পাঠদান কাৰ্যত নিয়োজিত হয়। ১৭৫১ চনত গ্লাছগ' বিশ্ববিদ্যালয়ত তৰ্ক বিজ্ঞানৰ অধ্যাপক হিচাপে নিযুক্তি লাভ কৰে আৰু সেই বছৰ শেষৰ পিনে নৈতিক দৰ্শনৰ অধ্যাপক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিবলৈ লয়। ১৭৫৯ চনত তেওঁৰ প্ৰথম গ্ৰন্থ 'The Theory of Moral Sentiment' প্ৰকাশ পায়। ইয়াৰ পিছত ১৭৭৬

চনৰ ৯ মাৰ্চত অৰ্থবিজ্ঞানৰ প্ৰথমখন লিখিত গ্ৰন্থ 'An Enquiry into the Nature and Causes of the Wealth of Nations' গ্ৰন্থখন প্ৰকাশ পায়।

(ঘ) আলফ্ৰেদ মাৰ্ছাল (Alfred Marshall খ্ৰী ১৮৪২-১৯২৪)ঃ আলফ্ৰেদ মাৰ্ছালৰ জন্ম হয় ১৮৪২ চনৰ ২৬ জুলাইত। প্ৰকৃততে তেওঁ এজন গণিত বিষয়ৰহে ছাত্ৰ আছিল। কিয়নো ১৮৬১ চনত তেওঁ গণিত বিষয়ত সন্মান সহ চেইন্ট জোৱালচ কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি পিছলৈ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত সাত বছৰ কাল গণিত বিষয়ত অধ্যাপনা কৰে। কিন্তু ১৮৬৭ চনৰ পৰা মাৰ্ছালে অৰ্থনীতি বিষয়টো অধ্যয়ন কৰে। ১৮৮৫ চনৰ পৰা তেওঁ কেম্ব্ৰিজ বিশ্ববিদ্যালয়তে অৰ্থনীতি বিভাগৰ অধ্যাপক হিচাপে কাম কৰিবলৈ লয় আৰু ৬৬ বছৰ বয়সত ১৯০৮ চনত তেওঁ উক্ত পদৰ পৰা অৱসৰ গ্ৰহণ কৰে যদিও জীৱনৰ অন্তিম সময়লৈকে উক্ত বিশ্ববিদ্যালয়তে গৱেষণা বিশেষজ্ঞ হিচাপে কাম কৰি যায়। তেওঁৰ মুখ্য অৱদান আছিল ব্যক্তিবাদী অৰ্থবিজ্ঞানৰ ক্ষেত্ৰত বিশেষকৈ, ব্যক্তিগত বজাৰ আৰু উদ্যোগৰ অধ্যয়নৰ ওপৰত আৰু অৰ্থনৈতিক ভাৱধাৰাক গাণিতিক ৰূপত প্ৰকাশ কৰা। ১৮৯০ চনত প্ৰকাশিত 'Principle of Economics' এই গ্ৰন্থখনত তেওঁ সামগ্ৰী এটাৰ দৰ আৰু উৎপাদন যে ইয়াৰ চাহিদা আৰু যোগানৰ দ্বাৰা নিৰ্দ্ধাৰিত হয় তাৰ ওপৰত গুৰুত্ব দিছে। চাহিদা আৰু যোগান ৰেখা হৈছে কেঁচি এখনৰ ব্লেডৰ দৰে যি ভাৰসাম্যৰ সময়ত কটাকটি কৰে। অৰ্থবিজ্ঞানৰ কল্যাণ ভিত্তিক সংজ্ঞা, উপযোগিতা (সংখ্যাগত ধাৰণা) চাহিদাৰ স্থিতিস্থাপকতা, উপভোক্তাৰ উদ্বৃত, উৎপাদনৰ উদ্বৃত, সদৃশ খাজানা, গণিত আৰু ৰৈখিক চিত্ৰৰ প্ৰয়োগ আদি ধাৰণা অৰ্থবিজ্ঞানলৈ মাৰ্ছালৰ গুৰুত্ব পূৰ্ণ অৱদান।

(ঙ) এ, চি, পিগো (A.C Pigou খ্ৰী ১৮৭৭-১৯৫৯)ঃ আৰ্থাৰ চেচিল পিগো আছিল এগৰাকী মহান ইংৰাজ অৰ্থবিজ্ঞানী। মাৰ্ছালৰ পিছতে তেওঁ কেম্ব্ৰিজৰ ৰাজনৈতিক অৰ্থবিজ্ঞান বিভাগত স্থান লাভ কৰিছিল। অৰ্থবিজ্ঞানৰ পৰিসৰলৈ সামাজিক কল্যাণ ধাৰণাটো তেওঁৰ এটা গুৰুত্ব পূৰ্ণ অৱদান আছিল। তেখেত কল্যাণ অৰ্থনীতি, মুদ্ৰা অৰ্থনীতি আৰু জাতীয় আয়ৰ ক্ষেত্ৰত প্ৰভূত বৰঙণি আগবঢ়াইছে। তেওঁৰ প্ৰধান গ্ৰন্থ কেইখন হৈছে- "Wealth and Welprove"1912, "Economics of Welprove' 1920, "Essays in applied Economics" 1923, Theory of Employment" 1933, Employment and Equilibrium" 1941 ইত্যাদি।

(চ) ই, এইছ, চেম্বাৰলিন (E.H. Chamberlin খ্ৰীঃ ১৮৬৬-১৯৬৭)ঃ এডৱাৰ্ড হেবিটং চেম্বাৰলিন এজন আমেৰিকান অৰ্থনীতিবিদ। তেওঁ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ তত্বৰ বাবে প্ৰখ্যাত। তেওঁ প্ৰথম বাৰৰ বাবে প্ৰমাণ কৰি দেখুওৱাছিল যে সমাজত প্ৰচলিত বজাৰখন প্ৰকৃততে একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থা যি পূৰ্ণ প্ৰতিযোগিতা আৰু একচেটিয়া বজাৰ ব্যৱস্থাৰ মাজত অৱস্থান কৰে। তেওঁ দেখুৱাইছিল যে অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত প্ৰতিষ্ঠানবোৰে প্ৰতিযোগিতাত অৱতীৰ্ণ হয় যদিও স্বকীয় বৈশিষ্ট্যৰ সামগ্ৰীৰ অৱস্থিতিৰ বাবে প্ৰতিষ্ঠানবোৰে কিছু পৰিমাণে একচেটিয়া ক্ষমতা ভোগ কৰে। এনে ধৰণৰ বজাৰত প্ৰতিযোগিতাই দ্ৰব্য-সামগ্ৰীৰ প্ৰতিযোগিতাৰ ৰূপ লয়। য'ত বিজ্ঞাপনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

(ঙ) আৰ্ণষ্ট এঞ্জেল ( Ernst Engel ১৮২১ - ১৮৯৬ ) ঃ আৰ্ণষ্ট এঞ্জেল এগৰাকী জাৰ্মান ৰাজনৈতিক অৰ্থবিজ্ঞানী তথা পৰিসংখ্যাবিদ। তেওঁৰ গুৰুত্বপূৰ্ণ অৱদানটোক এঞ্জেলৰ বিধি (Engles Law) নামেৰে জনা যায়। এই বিধি অনুসৰি সমাজত বাস কৰা নিম্ন আয়ৰ উপভোক্তাসকলে তেওঁলোকৰ উপাৰ্জনৰ সৰহ অংশ খাদ্য সামগ্ৰীৰ নামত ব্যয় কৰে।

(চ) লিঅ'ন ওৱালৰাচ (Leon Walras ১৮৩৪-১৯১০)ঃ ফ্ৰান্সৰ এক অতি নৈতিকতাবাদী পৰিয়ালত লিঅ'ন ওৱালচৰ জন্ম হয়। যোছেফ শ্যামপিটাৰে লিঅ'ন ওৱালৰাচক সকলো অৰ্থবিজ্ঞানীৰ ভিতৰত শ্ৰেষ্ঠ অৰ্থনীতিবিদ হিচাপে আখ্যা দিয়ে। ১৮৭১ চনত তেওঁ চুইজাৰলেণ্ডৰ লৰেন্স বিশ্ববিদ্যালয়ত ৰাজনৈতিক অৰ্থনীতিৰ অধ্যাপক হিচাপে কাম

কৰে আৰু ১৮৯২ চনত অৱসৰ গ্ৰহণ কৰে। অৰ্থবিজ্ঞানলৈ তেওঁ দুটা প্ৰধান অৱদান আগবঢ়াই থৈ গৈছে। প্ৰথমটো হ'ল মূল্যতত্বলৈ প্ৰান্তিক উপযোগিতাৰ অৱদান আৰু দ্বিতীয়টো হ'ল সাধাৰণ ভাৰসাম্য বিশ্লেষণত গণিতৰ প্ৰয়োগ । এই বিশ্লেষণত অৰ্থনীতিৰ সকলোবোৰ দ্ৰব্য আৰু সেৱা কাৰ্য্যৰ দৰ একেলগে নিৰ্দ্ধাৰণ কৰা হয়। সেই বাবে তেওঁক সাধাৰণ ভাৰসাম্যৰ পিতৃ বুলি কোৱা হয়। তেওঁৰ প্ৰধান গ্ৰন্থকেইখন হ'ল- Elements of Pure Economics, 1874; Studies in Social Economics, 1896; Studies in Applied Economics, 1898.

(ছ) জন মেনাৰ্ড কেইন্স (John Maynard Keynes ১৮৮৩-১৯৪৬) ঃ ব্ৰিটিছ অৰ্থনীতিবিদ জন মেনাৰ্ড কেইন্সৰ জন্ম ১৮৮৩ চনত। ১৯০৫ চনত তেওঁ গণিত বিষয়ত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি কিছুদিন Indian Office অত সেৱা আগবঢ়াই। কেইন্সে একেধাৰে অৰ্থনীতিবিদ, পৰামৰ্শদাতা, সম্পাদক, অধ্যাপক, বাণিজ্যিক বীমাৰ সক্ৰিয় অংশ গ্ৰহণকাৰী চৰকাৰী প্ৰতিনিধি ইত্যাদি বিভিন্ন ধৰণে নিজদেশৰ সেৱা আগবঢ়ায়। এই সেৱাৰ বাবেই পোন প্ৰথম বাৰৰ বাবে তেওঁক Baron of Tilton (Lord keyned of Tilton) উপাধি প্ৰদান কৰা হয়। তেওঁ মহান অৱদান সমূহৰ ভিতৰত বিশ্বঅৰ্থনীতিক 'মহামন্দা' অৱস্থাৰ পৰা উদ্ধাৰ কৰিবৰ বাবে ১৯৩৬ চনত প্ৰকাশ কৰা The General Theory fo Employment, Interest and Money চমুকৈ General Theory নামৰ গ্ৰন্থখনত বিশ্লেষণ কৰা নিয়োগ তত্ব এটা যুগান্তকাৰী অৱদান।

(জ) অমৰ্ত্তসেন (Amartya Sen) ঃ ১৯৩৩ চনত পশ্চিমবঙ্গৰ শান্তি নিকেটনত অমৰ্ত্ত সেনৰ জন্ম হয়। ১৯৪৯ চনত শান্তি নিকেটনৰ পৰা মেট্ৰিক, ১৯৫১ চনত আই, এ, ১৯৫৩ চনত প্ৰেচিডেন্সি কলেজৰ পৰা বি, এ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৫৫ চনত ট্ৰিনীটি কলেজৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৫৯ চনত তেওঁ উক্ত কলেজৰ পৰা পি, এইচ , ডি, ডিগ্ৰী লাভ কৰে। ইয়াৰ পাছত তেওঁ নিজ দেশলৈ ঘূৰি আহি ১৯৫৬-১৯৫৮ লৈ যাদৱ পুৰ বিশ্ববিদ্যালয়, ১৯৫৮-১৯৬৩ লৈ ট্ৰিনীতি কলেজত গৱেষক হিচাপে কাম কৰে। ১৯৬৩-১৯৭২ লৈ তেওঁ দিল্লী স্কুল অফ ইকন'মিক্সত অধ্যাপনা কৰে। ইয়াৰ পিছত ১৯৭৩-১৯৭৭ লৈ তেওঁ লণ্ডন স্কুল অফ ইক ন'মিক্স ১৯৭৭ লৈ অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক হিচাপে সেৱা আগবঢ়ায়। শেষত ১৯৯৮ চনত কল্যাণ অৰ্থনীতিৰ ওপৰত ন'বেল বঁটা লাভ কৰে। সেনৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহ হ'ল-

(i) Collective Choice and Social Welfare (1970)

(ii) On Economic Inesuility (1973)

(iii) Poverty and Famines : An essay on Entitlement and Deprivation (1981)

(iv) India : Economics Development and Social Opporunity (1995)

অমৰ্তসেনে লাভ কৰা পুৰস্কাৰ সমূহ হ'ল-

(ক) আদাম স্মিথ পুৰস্কাৰ (১৯৫৫)

(খ) মহালনাবিচ পুৰস্কাৰ (১৯৭৬)

(গ) ফ্ৰাঙ্ক ই, চিডম্যান ডিষ্টিনগুইচড্ এৱাৰ্ড ইন পলিটিকেল ইকনমি (১৯৮৬)

(ঘ) চেনেটৰ গিওভ্যানি এগ্নেল্লি ইন্টাৰনেচনে প্ৰাইজ ই এথিকস (১৯৯০)

(ঙ) এলান চ'ফাইনাচাইন হাঙ্গাৰ এৱাৰ্ড (১৯৯০)

(চ) জাঁ মেয়েৰ গ্লোবেল চিটিজেনচিপ এৱাৰ্ড (১৯৯৩)

(ছ) এচিয়াটিক চোছাইটি ইন্দিৰা গান্ধী গোল্ড মেডেল এৱাৰ্ড (১৯৯৪)

(জ) এডিনবাৰ্গ মেডেল (১৯৯৭)

(ঝ) নৱম ক্যাটালনিয়া ইন্টাৰনেচনেল এৱাৰ্ড (১৯৯৭)

(ঞ) ন'বেল বঁটা (১৯৯৪) ।

□□□

# স্কাউটিং-গাইডিঙৰ পাঠ্যক্রম আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত ইয়াৰ ৰেঙণি

বিজয়া ডেকা
শিক্ষা বিভাগ

মহান শিক্ষাবিদ, নিপুণ শিল্পী তথা সুদক্ষ সামৰিক বিষয়া ৰবাৰ্ট ষ্টিফেনচন স্মিথ বেডেন পাৱেল হ'ল স্কাউটিং-গাইডিঙৰ জন্ম দাতা। তেওঁ ১৯০৭ চনত ইংলেণ্ডৰ ব্ৰাউন চী-দ্বীপত মাত্ৰ ২০ জন ল'ৰাক লৈ পৰীক্ষামূলকভাৱে শিবিৰ এটা পাতে। এই শিবিৰত সাফল্য লাভ কৰাৰ পাছতে তেওঁ ১৯০৮ চনত Scouting for Boys নামৰ কিতাপখন লিখে। এইখন কিতাপে জনপ্ৰিয়তা লাভ কৰাৰ ফলস্বৰূপে স্কাউটিঙৰ প্ৰতি সকলোৱে অভূতপূৰ্ব সহাৰি জনায়।

স্কাউটিং-গাইডিং দৰাচলতে এবিধ আমোদজনক খেল। ইয়াৰ জৰিয়তে শিশু তথা যুৱক-যুৱতীসকলৰ দৈহিক মানসিক আৰু নৈতিক উৎকৰ্ষ সাধন হয়। বেডেন পাৱেলে গভীৰভাৱে বিশ্বাস কৰিছিল যে স্কাউটিঙৰ জৰিয়তে শিশু তথা যুৱক-যুৱতীসকলে নিজকে বুজি পোৱা আৰু জীৱনৰ মূল্যবোধ উপলব্ধি কৰাত সহায়ক হ'ব। তেওঁ ইয়াকো বিশ্বাস কৰিছিল যে বিশ্বৰ শিশু আৰু যুৱক-যুৱতীসকলৰ জীৱনৰ আৰম্ভণিৰে পৰা সুশিক্ষাৰে শিক্ষিত কৰি একোগৰাকী সুনাগৰিক হিচাপে গঢ় দি সমাজখন আগুৱাই নিয়াত আৰু বিশ্বভাতৃত্ববোধ সৃষ্টি কৰাত স্কাউটিঙে সহায় কৰিব। সেয়ে তেওঁ স্কাউটিং আন্দোলনক চাৰিটা শাখাত বিভক্ত কৰি শিশু তথা যুৱক-যুৱতীসকলক স্কাউটিংখেল উপভোগ কৰাৰ বাবে বাট মুকলি কৰি দিয়ে। ফলস্বৰূপে বেডেনে ১৯১০ চনত গাইডিং, ১৯১৬ চনত কাব-বুলবুল্ আৰু১৯২২ চনত ৰ'ভাৰ-ৰেঞ্জাৰ শাখা প্ৰৱৰ্তন কৰে। এই শাখা কেইটা সুপৰিচালনা কৰিবৰ বাবে প্ৰাপ্তবয়স্ক লোকৰ প্ৰশিক্ষণৰ ব্যৱস্থাও কৰে। বয়স অনুপাতে শাখাবোৰ বিভক্ত কৰা হয়। যেনে -

| বয়স | ল'ৰা | ছোৱালী | দলপতি |
|---|---|---|---|
| ৬-১০ | কাব | বুল্‌বুল্ | কাব মাষ্টাৰ/ ফ্লকলিডাৰ |
| ১০-১৫ | স্কাউট | গাইড | স্কাউট মাষ্টাৰ/ গাইড কেপ্তেইন |
| ১৬-২৫ | ৰ'ভাৰ | ৰেঞ্জাৰ | ৰ'ভাৰ স্কাউট লিডাৰ/ৰেঞ্জাৰ লিডাৰ। |

কাব-বুলবুলৰ নীতি (Moto) হ'ল Be prepared (সাজু থকা), স্কাউট-গাইডৰ Do your Best (যথা সাধ্যে ভাল কাম কৰা) আৰু ৰ'ভাৰ ৰেঞ্জাৰৰ Service (সেৱা)

* ২৫ বছৰ ওপৰ হ'লে ৰ'ভাৰ/ ৰেঞ্জাৰ In Service বোলা হয়।

সুখৰ বিষয় বৰ্তমান সময়ত ৩-৬ বছৰ বয়সৰ শিশুহঁতৰ বাবে 'বাণী' শাখা খোলা হৈছে।

উল্লেখযোগ্য যে Girl Guiding, Aims to Scout Mastership, Scouting Games, Aids to Scouting, Rovering to Success, What Scout Can Do, Paddle Your Own Canne আদি অনেক কিতাপ লিখি বেডেন পাৱেলে স্কাউটিং আন্দোলনক আগুৱাই নিবলৈ চেষ্টা কৰিছিল। স্কাউটিং-গাইডিঙক গতিশীল কৰিবলৈ তেওঁ শৃংখলাবদ্ধ শিক্ষা প্ৰণালী যুগুত কৰিছল। অৰ্থাৎ কাব্-বুল্‌বুল্ (প্ৰাথমিক পৰ্যায়), স্কাউট-গাইড (মাধ্যমিক পৰ্যায়) আৰু ৰ'ভাৰ-ৰেঞ্জাৰ (মহাবিদ্যালয় পৰ্যায়) সকলৰ বাবে পৰৱৰ্তী সময়ত নিৰ্দ্ধাৰিত ক্ৰমোন্নতিমূলক প্ৰশিক্ষণৰ বাবে সুকীয়া পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হৈছিল। সেইবোৰ হৈছে—

| (১) কাব শাখাৰ পাঠ্যক্ৰম | (২) বুল্‌বুল্ শাখাৰ পাঠ্যক্ৰম |
|---|---|
| ক) প্ৰবেশ | ক) প্ৰবেশ |
| খ) প্ৰথম চৰণ | খ) কোমল পংখ |
| গ) দ্বিতীয় চৰণ | গ) ৰজত পংখ |
| ঘ) তৃতীয় চৰণ | ঘ) সুবৰ্ণ পংখ |
| ঙ) চতুৰ্থ চৰণ আৰু | ঙ) হীৰক পংখ আৰু |
| চ) গ'ল্ডেন এ'ৰ | চ) গ'ল্ডেন এ'ৰ |

| (৩) স্কাউট-গাইড শাখাৰ পাঠ্যক্ৰম | (৪) ৰ'ভাৰ-ৰেঞ্জাৰ শাখাৰ পাঠ্যক্ৰম |
|---|---|
| ক) প্ৰবেশ | ক) প্ৰবেশ |